**অসম বিধান সভা**

**তৰাবিহীন প্ৰশ্ন নং : ৩৩২**

**উত্তৰ দানৰ তাৰিখ : ১৪-০৭-২০২৬**

*বিষয়* : বান্দৰৰ সংখ্যা নিয়ন্ত্ৰণ

শ্ৰীপ্ৰকাশ চন্দ্ৰ দাস, বিধায়ক :

মাননীয় পৰিবেশ ও বন বিভাগৰ মন্ত্ৰী মহোদয়ে অনুগ্ৰহ কৰি জনাবনেঃ

(ক) বান্দৰৰ জাকে কেৱল থলুৱা লোকৰ ঘৰ-দুৱাৰ বা ব্যৱসায়িক প্ৰতিষ্ঠানতে উপদ্ৰৱ চলোৱা নাই, বৰঞ্চ গ্ৰাম্য অঞ্চলৰ খেতি বিনষ্ট কৰি কৃষকসকলৰ অৰ্থনীতিৰ ব্যাপক ক্ষতিসাধন কৰিছে। বনাঞ্চল ধ্বংস আৰু খাদ্যৰ অভাৱৰ বাবেই বান্দৰ মানুহৰ বসতি প্ৰধান অঞ্চললৈ ওলাই আহিবলৈ বাধ্য হৈছে। গতিকে, বনাঞ্চলৰ ভিতৰতে ফল-মূলৰ গছ ৰোপণ কৰাৰ বিষয়টোত চৰকাৰে গুৰুত্ব দিছেনে ?

(খ) চৰকাৰৰ হাতত তথ্য আছেনে যে, ৰাজ্যৰ বিভিন্ন ঐতিহাসিক উপাসনা থলী (যেনে: হাজোৰ মাধৱ, কেদাৰ, কামাখ্যা ইত্যাদি) আৰু গ্ৰাম্য তথা চহৰীয়া অঞ্চলসমূহত বান্দৰৰ উপদ্ৰৱ দিনক দিনে বৃদ্ধি পাইছে । ইয়াৰ ফলত স্থানীয় ৰাইজ আৰু পৰ্য্যটকসকল ক্ষয়-ক্ষতি তথা আতংকৰ সন্মুখীন হ'বলগীয়া হৈছে ?

(গ) বান্দৰৰ এই উপদ্ৰৱ ৰোধ কৰিবলৈ আৰু জনসাধাৰণৰ ধন-জনৰ নিৰাপত্তা সুনিশ্চিত কৰিবলৈ বন বিভাগে বৰ্তমানলৈকে কি কি ফলপ্ৰসু পদক্ষেপ গ্ৰহণ কৰিছে ?

(ঘ) বান্দৰৰ সংখ্যা নিয়ন্ত্ৰণ কৰাৰ বাবে বৈজ্ঞানিক পদ্ধতি (যেনে: বন্ধ্যাকৰণ বা Sterilization) অৱলম্বন কৰাৰ কোনো দীৰ্ঘম্যাদী আঁচনি চৰকাৰৰ বিবেচনাধীন আছে নেকি ?

**উত্তৰ:**

পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন বিভাগৰ মাননীয় মন্ত্ৰী শ্ৰী জয়ন্ত মল্ল বৰুৱা মহোদয়ে উত্তৰ দিব :

(ক) চহৰৰ লগতে গ্ৰাম্য অঞ্চলতো বান্দৰৰ উপদ্ৰৱৰ সমস্যাক চৰকাৰে যথোচিতভাৱে গুৰুত্ব প্ৰদান কৰি আহিছে। দুৰ্যোগ প্ৰশমন আদিৰ জৰিয়তে বন বিভাগ, অসামৰিক প্ৰশাসন আৰু অন্যান্য চৰকাৰী বিভাগসমূহৰ প্ৰচেষ্টাৰ সৈতে একত্ৰিত হৈ এই সংঘাত হ্ৰাস কৰিবলৈ গুৰুত্ব প্ৰদান কৰা হৈছে। কেৱল বান্দৰৰ উপদ্ৰৱ হ্ৰাস কৰাৰ বাবে ফল-মূলৰ গছ ৰোপণৰ কোনো নিৰ্দিষ্ট আঁচনি নাই, যদিও বনাঞ্চলৰ জৈৱ বৈচিত্ৰ্য সংৰক্ষণ, বন্যপ্ৰাণীৰ স্বাভাৱিক বাসস্থান আৰু খাদ্যৰ উপলব্ধতা বৃদ্ধি কৰাৰ উদ্দেশ্যে বন বিভাগে বনাঞ্চলত ফল-মূলকে ধৰি বিভিন্ন প্ৰজাতিৰ গছ-গছনি, যেনে বট, আহঁত, ঔ-টেঙা, জামু, আম, কঁঠাল, বগৰী আদি ৰোপণৰ কাৰ্যসূচী ৰূপায়ণ কৰি আহিছে। এই পদক্ষেপে বনাঞ্চলৰ পৰিৱেশগত ভাৰসাম্য ৰক্ষা কৰাৰ লগতে বন্যপ্ৰাণীৰ প্ৰাকৃতিক খাদ্যৰ উৎস বৃদ্ধি কৰাত সহায়ক হব বুলি আশা কৰা হৈছে।

(খ) ৰাজ্যৰ বিভিন্ন ঐতিহাসিক উপাসনা থলী আৰু গ্ৰাম্য তথা চহৰীয়া অঞ্চলসমূহত বান্দৰৰ উপদ্ৰৱ দিনক দিনে বৃদ্ধি পোৱাৰ আৰু ইয়াৰ ফলত স্থানীয় ৰাইজ আৰু পৰ্যটকসকলৰ ক্ষয়-ক্ষতি হোৱাৰ কোনো উল্লেখযোগ্য তথ্য বন বিভাগৰ হাতত নাই।

(গ) বন্যপ্ৰাণী সপ্তাহ আৰু অন্যান্য অনুষ্ঠানৰ সময়ত প্ৰতি বছৰে মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাত সম্পৰ্কে সাধাৰণ গণ-সচেতনতা কাৰ্যসূচী গ্ৰহণ কৰা হয়, য'ত বান্দৰৰ আক্ৰমণৰ পৰা কেনেকৈ বাচি থাকিব লাগে সেই বিষয়ে সৰ্বসাধাৰণ ৰাইজক পৰামৰ্শ দিয়া হয়। বন বিভাগৰ সন্মুখশাৰীৰ কৰ্মীসকলে (Frontline Staff) বান্দৰৰ আক্ৰমণৰ খবৰ পোৱাৰ লগে লগে আক্ৰমণকাৰী বান্দৰবোৰ খেদি পঠিয়াবলৈ যথা সম্ভৱ খৰতকীয়া ব্যৱস্থা গ্ৰহণ কৰি আহিছে।

বান্দৰৰ উৎপাত হ্ৰাস কৰাৰ উদ্দেশ্যৰে বন বিভাগৰ সন্মুখশাৰীৰ কৰ্মচাৰীসকলে স্থানীয় বাসিন্দাসকলৰ মাজত সজাগতা সৃষ্টি কাৰ্যসূচী চলাই আছে। এই কাৰ্যসূচীৰ অন্তৰ্গত সঠিকভাৱে আৱৰ্জনা ব্যৱস্থাপনা কৰা, বান্দৰক খাদ্য নিদিবলৈ উৎসাহিত কৰা আৰু বান্দৰক মানুহৰ বসতিস্থললৈ আকৰ্ষিত হোৱাটো ৰোধ কৰিবলৈ প্ৰয়োজনীয় সতৰ্কতামূলক ব্যৱস্থা গ্ৰহণৰ বিষয়ে জনসাধাৰণক সজাগ কৰা হৈছে।

ক্ৰমশ......পৃ/২

ইয়াৰ উপৰিও, বান্দৰৰ প্ৰাকৃতিক বাসস্থানত খাদ্যৰ উপলব্ধতা বৃদ্ধি কৰি সিহঁতক মানুহৰ বসতিস্থললৈ অহা-যোৱা হ্ৰাস কৰাৰ উদ্দেশ্যে **অমৃত বৃক্ষ অভিযান** আৰু অন্যান্য বৃক্ষৰোপণ কাৰ্যসূচীৰ অধীনত নিৰ্বাচিত স্থানসমূহত ফল ধৰা গছৰ প্ৰজাতি ৰোপণ কৰা হৈছে।

(ঘ) বৰ্তমান সময়ত কোনো নিৰ্দিষ্ট বান্দৰ বন্ধ্যাকৰণ বা পুনৰ্সংস্থাপন কাৰ্য্যসূচী ৰূপায়ণ কৰা হোৱা নাই। এই সমস্যাক সাধাৰণ বন্যপ্ৰাণী ব্যৱস্থাপনাৰ জৰিয়তে সমাধান কৰা হৈছে, যাৰ অধীনত প্ৰাকৃতিক বাসস্থানৰ সংৰক্ষণক প্ৰসাৰিত কৰা, বান্দৰৰ উপদ্ৰৱ প্ৰৱণ অঞ্চলসমূহত সন্মুখ শাৰীৰ কৰ্মীৰ দ্বাৰা নিয়মীয়া টহলদাৰী চলাই পথভ্ৰষ্ট বান্দৰবোৰক সিহঁতৰ প্ৰাকৃতিক বাসস্থানলৈ খেদি পঠোৱাৰ দৰে কাম কৰা হৈছে।

ইয়াৰ উপৰিও প্ৰভাৱিত অঞ্চলসমূহত বান্দৰৰ উপদ্ৰৱ কেনেকৈ চম্ভালিব লাগে সেই বিষয়ে ৰাইজক সজাগ কৰিবলৈ সজাগতা অভিযানৰ আয়োজন কৰা হৈছে। অসম চৰকাৰে ২০২৩ চনত MOEFCC (পৰিৱেশ, বন আৰু জলবায়ু পৰিৱৰ্তন মন্ত্ৰালয়) ৰ দ্বাৰা জাৰি কৰা 'মানুহ আৰু মলুৱা বান্দৰ (Rhesus Macaque) সংঘাত প্ৰশমনৰ নিৰ্দেশনা'ৰ ওপৰত ভিত্তি কৰি, ২০২৫-২৬ বৰ্ষত SOPD ৰ অন্তৰ্গত 'মানুহ-বন্যপ্ৰাণী সংঘাত হ্ৰাস আঁচনি' ৰ অধীনত 'মানুহ-সিমিয়ান সংঘাত প্ৰশমন' (Human Simian Conflict Mitigation) নামৰ এটা প্ৰকল্প আৰম্ভ কৰা হৈছে । এই আঁচনিখনৰ বাবে ৩ কোটি টকাৰ বাজেট আবণ্টন নামনি অসম গোট (যিটো অসম ৰাজ্যিক কৰা হৈছিল, যাক দুটা গোটত বিভক্ত কৰা হৈছিল চিৰিয়াখানাৰ অধীনত) আৰু উজনি অসম গোট (যিটো ডিব্ৰুগড় বন সংমণ্ডলৰ অধীনত)। এই আঁচনিটোত সৰ্বমুঠ ৮ টা বন সংমণ্ডলক অন্তৰ্ভুক্ত কৰা হৈছিল। প্ৰকল্পটোৱে প্ৰশাসনিক অনুমোদন লাভ কৰিছিল যদিও নিৰ্বাচনী আচৰণ বিধিৰ বাবে ২০২৫-২৬ সময়ছোৱাত ধন ব্যৱহাৰ কৰিব পৰা নগ'ল। চলিত বিত্তীয় বৰ্ষত উক্ত ধনৰাশি ৰূপায়নৰ ব্যৱস্থা গ্ৰহন কৰা হৈছে। তাৰোপৰি চলিত বৰ্ষত আঁচনিটোত আন ১৮ টা বন সংমণ্ডল অন্তৰ্ভূক্ত কৰাৰ পৰিকল্পনা কৰা হৈছে যিটো বৰ্তমান আলোচনাৰ পৰ্যায়ত আছে।

****